# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## *Headliens*

-----------------------

১। গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আজি ৰাজ্যৰ ২৫ হাজাৰতকৈও অধিক উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদান।

২। অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ।

৩। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীকস সাক্ষাৎ কৰি যোৰহাট-মাজুলী সংযোগী নিৰ্মীয়মান দলঙৰ কাম পুনৰ আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ অহা ৪-৫ দিনলৈ উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ।

*আৰু*

৫। ব্ৰুনেইৰ বন্দৰ চেৰী বেগাৱনত অনুষ্ঠিত বিশ্ব জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপত ভাৰতীয় দলৰ দুটা সোণৰ পদককে ধৰি মুঠ ৭টা  পদক অৰ্জন।

০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮ গৰাকী উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজি হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থকাৰ কথা। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগিকীকৰণৰ পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক স্বাৱলম্বী হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০

ৰাজ্যৰ প্ৰশাসনক তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ বাবে জিলা সদৰসমূহক বাদ দি প্ৰতিটো সমষ্টিতে চৰকাৰে একোখনকৈ সমজিলা গঠন কৰাৰ সিদ্ধান্ত লৈছে। অসমৰ ৩৯ টা বিধানসভা সমষ্টিত অহা ৪ আৰু ৫ অক্টোবৰত এই সমজিলাসমূহ প্ৰতিষ্ঠা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। বাকী সমষ্টিসমূহতো দ্বিতীয় পৰ্যায়ত সমজিলা গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে।

এই সন্দৰ্ভত তেওঁ কয় যে, সমজিলাসমূহৰ জৰিয়তে বহু প্ৰসাশনীয় কামকাজ জিলা আয়ুক্তৰ কাৰ্যালয়লৈ নোযোৱাকৈ সমাধান কৰা সম্ভৱ হ'ব। উল্লেখযোগ্য যে, দেশৰ ভিতৰতে অসমত প্ৰথমবাৰৰ বাবে এই ধৰণৰ জনমুখী চিন্তা ৰূপায়ণ কৰা হৈছে।

আনহাতে ৰাজ্যখনৰ প্ৰায় দুই লাখ ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ছাত্ৰীসকলক উচ্চ শিক্ষাৰ পোহৰেৰে জিলিকাই তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা এনে প্ৰচেষ্টা অব্যাহত থাকিব বুলি উল্লেখ কৰি এইদৰে কয়—

**ঃঃ ভইচ কাষ্ট ঃঃ**

০০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শাৱলী ৰূপায়ণ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ বাবে নতুন দিল্লীত উপস্থিত হৈছে। ইয়াৰ পূৰ্বে এই পৰামৰ্শাৱলী সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সৈতে ৰাজ্যতে আলোচনাত মিলিত হৈছিল। উল্লেখযোগ্য যে এই প্ৰতিবেদনৰ মুঠ ৬৭টা পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ ৰূপায়ণ কৰাটো ৰাজ্য চৰকাৰৰ ক্ষমতাৰ আওতাত পৰা হেতুকে অহা বছৰৰ এপ্ৰিলৰ ভিতৰত এই পৰামৰ্শসমূহ ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ইতিপূৰ্বে প্ৰকাশ কৰিছে। বাকী থকা ১৫টা পৰামৰ্শ সম্পূৰ্ণ ৰূপে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা হেতুকে এই সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব বুলি সামাজিক মাধ্যমত প্ৰকাশ কৰিছে।

আনহাতে মুখ্যমন্ত্ৰীয়ে কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি যোৰহাট-মাজুলী সংযোগী নিৰ্মীয়মান দলঙৰ কাম পুনৰ আৰম্ভ কৰাৰ বাবে অনুৰোধ জনায়। তেওঁ দলংখনৰ কাম যথাসম্ভৱ সোনকালে আৰম্ভ কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে মাজুলীবাসী ৰাইজক এই দলংখন সোনকালে সম্পূৰ্ণ হ'ব বুলি আশ্বাস দিয়ে। উল্লেখযোগ্য যে দলংখনৰ কাম কিছুদিন ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অলপতে উদ্বেগ প্ৰকাশ কৰাৰ উপৰি শ্ৰীগাডকাৰীলৈ পত্ৰযোগে দলঙৰ কাম পুনৰ আৰম্ভ কৰিবলৈ অনুৰোধ জনাইছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাগত উৎসৱৰ বতৰত জনসাধাৰণক স্থানীয়ভাৱে তৈয়াৰী সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ মন কি বাত অনুষ্ঠানত কালি প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। চাকৰি তথা কৰ্মসংস্থাপনৰ পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি তেওঁ কয় যে, নতুনকৈ উন্মোচিত সেৱা আৰু উৎপাদন খণ্ডসমূহৰ প্ৰয়োজন অনুসৰিও চাকৰিৰ প্ৰকাৰ সলনি হৈছে। ভাৰতত উদ্ভাৱিত সামগ্ৰী তথা ধাৰণাৰ আধাৰত সৃজনীশীলতা বিকাশৰ লক্ষ্যৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২৫ টা প্ৰত্যাহ্বানমূলক কাম আৰম্ভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে সৃষ্টিশীল লোকসকলক ইয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্বচ্ছ ভাৰত অভিযানৰ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ২ অক্টোবৰত এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হ'ব। তেওঁ কয় যে, বৰ্তমান দেশবাসী আৱৰ্জনা হ্ৰাস, পুনৰ ব্যৱহাৰ আৰু নবীকৰণৰ বিষয়ে নিজে সচেতন হোৱাৰ লগতে বিশ্বতো এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিছে। এই অভিযানৰ ধাৰাবাহিকতা ৰক্ষা কৰি স্বচ্ছ ভাৰত মিছনক এটা গণ আন্দোলনলৈ ৰূপান্তৰ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আহ্বান জনায়। স্বচ্ছতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰি যোৱা মহাত্মা গান্ধীলৈ তেওঁ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে মাৰ নামত এজুপি গছ অৰ্থাৎ এক পেৰ মা কে নাম অভিযানত অংশ গ্ৰহণ কৰিবলৈ সকলোকে উৎসাহিত কৰে। এই গছপুলি ৰোপণ কাৰ্যসূচীত সমগ্ৰ দেশৰ কেইবাহাজাৰ

বিদ্যালয়ৰ সক্ৰিয়ভাৱে অংশগ্ৰহণক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। পানী সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বৰষুণৰ বতৰত সংগ্ৰহ কৰা পানীয়ে খৰাঙৰ সময়ত দেশবাসীক প্ৰভূত পৰিমাণে সহায় কৰে। প্ৰধানমন্ত্ৰীয়ে ভাৰত চৰকাৰে শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ঘূৰাই অনা বুলি ব্যৱস্থা কৰা প্ৰায় ৩০০ টা প্ৰাচীন কলা সামগ্ৰীৰ বিষয়ে উল্লেখ কৰে। এইসমূহৰ ভিতৰত পোৰামাটি, পাথৰ, হাতীদাঁত, কাঠ, তাম আৰু ব্ৰঞ্জেৰে নিৰ্মিত কলা সামগ্ৰী আছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

আমাৰ দেশত ২০ হাজাৰ ভাষা আৰু উপভাষা আছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে মাতৃভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ ১০ বছৰ পূৰ্তিৰ প্ৰাকক্ষণত আকাশবাণী, দূৰদৰ্শন আৰু প্ৰসাৰ ভাৰতীৰ সৈতে জড়িত সকলোৰে প্ৰশংসা কৰি কয় যে, তেওঁলোকৰ অক্লান্ত পৰিশ্ৰমৰ বাবে মন কী বাতে দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শ্ৰোতাক সামৰি লবলৈ সমৰ্থ হৈছে। সমাগত উৎসৱসমূহৰ বাবে তেওঁ দেশবাসীক শুভেচ্ছা জনায়।

০০০০০০

দেশজুৰি চলি থকা **স্বচ্ছতা হি সেৱা** কাৰ্যসূচীৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পৰিচ্ছন্নতাৰ বিষয়ত ছাত্ৰীসকলক সজাগ-সচেতন কৰি তোলাৰ লগতে নৱপ্ৰজন্মৰ মাজত আকাশবাণীৰ জনপ্ৰিয়তাক বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকিব।

০০০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত অহা ১৩ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আৰম্ভ হ'ব। বিগত বৰ্ষৰ বিশেষ সাফল্যৰ পাছত এই বছৰো তৃণমূল পৰ্যায়ৰ প্ৰতিযোগীৰ অংশগ্ৰহণ, ন ন প্ৰতিযোগী সৃষ্টি তথা ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্যক আগবঢ়াই নিয়াৰ লক্ষ্যৰে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছে। এথলেটিকছ্, ফুটবল, কাবাডী, ভলীবল, দবা খেল, সাঁতোৰ, চাইকেল চলোৱা আদিকে ধৰি কেইবাটাও শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইবাৰৰ খেল মহাৰণত কেইবা বিধো নতুন খেল অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বাবে আজিৰ পৰা পঞ্জীয়ন আৰম্ভ হ'ব। অংশগ্ৰহণকাৰীসকলে **খেল মহাৰণ এপ** অথবা www.dsywassam.com/khel ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাথামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত কেইবাটাও উদ্যম মুকলি কৰা হৈছে। দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰে কেইবাটাও মহিলাকেন্দ্ৰীক পদক্ষেপ গ্ৰহণ কৰিছে। দিনদয়াল অন্ত্যোদয় আঁচনি -ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য

কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

আনহাতে মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

oooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪-৫ দিনলৈ দেশৰ উত্তৰ পূব অংশত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি তামিলনাড়ু আৰু কেৰালাত আজি প্ৰবল বৰষুণ হোৱাৰ লগতে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত এই সপ্তাহত প্ৰচুৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

oooooo

তিনিচুকীয়া জিলাত নতুনকৈ ৮১ হাজাৰ হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তিনিচুকীয়া বিধানসভা সমষ্টিত ১৩ হাজাৰ, মাকুম সমষ্টিত ১১ হাজাৰ, ডিগবৈত ১১ হাজাৰ ৫০০, ডুমডুমাত ১১ হাজাৰ ৫০০, মাৰ্ঘেৰিটাত ১৩ হাজাৰ আৰু শদিয়া সমষ্টিত ১৫ হাজাৰ নতুন হিতাধিকাৰী বাছনি কৰা হ'ব। তদুপৰি জিলাভিত্তিতো অতিৰিক্ত ৬ হাজাৰ হিতাধিকাৰী বাছনি কৰা হ'ব। অহা ১৫ অক্টোবৰৰ ভিতৰত ইয়াৰ বাবে আবেদন পত্ৰ দাখিল কৰিব পাৰিব। আবেদনসমূহ পৰীক্ষাৰ অন্তত ১৮ অক্টোবৰত খচৰা তালিকা প্ৰকাশ কৰা হ'ব। আনহাতে ২০ৰ পৰা ২৪ অক্টোবৰলৈ দাবী আৰু আপত্তিৰ শুনানি গ্ৰহণ কৰা হ'ব। ২৮ অক্টোবৰত চূড়ান্ত তালিকা প্ৰকাশ পোৱাৰ লগতে ১৫ নৱেম্বৰৰ ভিতৰত নতুন হিতাধিকাৰীসকলৰ নাম অন্তৰ্ভুক্তকৰণ সম্পূৰ্ণ কৰি ৰেচন কাৰ্ড বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে যিসমূহ পৰিয়ালৰ বছৰি আয় ৪ লাখতকৈ কম আৰু কোনো চৰকাৰী ঠিকাভিত্তিক বা নিয়মীয়া চাকৰিয়াল নহয় অথবা পঞ্চায়ত আৰু পৌৰসভাৰ সদস্য নহয় তেওঁলোকে ৰেচন কাৰ্ডৰ বাবে যাৱতীয় নথিসহ আবেদন কৰিব পাৰিব।

oooooo

ৰাজ্যৰ বিশিষ্ট সাহিত্যিক কৰবী ডেকা হাজৰিকালৈ ড০ময়িদুল ইছলাম বৰা সাহিত্য বঁটা আজি আগবঢ়োৱা হ'ব। অৰুণোদয় সাহিত্য সভা আৰু ড০ ময়িদুল ইছলাম বৰা স্মৃতিৰক্ষা সমিতিৰ যুটীয়া উদ্যোগত শিৱসাগৰ প্ৰেছ ক্লাব আৰু ৰংপুৰজ্যোতি ক্লাবৰ সহযোগত শিৱসাগৰত আয়োজিত এটা অনুষ্ঠানত আজি এই বঁটা আগবঢ়োৱা হ'ব। বৰ অসমৰ প্ৰথমজন ডক্টৰেত তথা অসম সাহিত্য সভাৰ প্ৰক্তান সভাপতি ড০ বৰাৰ স্মৃতিত আগবঢ়োৱা এই বঁটা প্ৰদান অনুষ্ঠানত ৰাজ্যৰ সাহিত্য-সংস্কৃতি জগতৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

oooooo

ব্ৰুনেইৰ বন্দৰ চেৰী বেগাৱনত অনুষ্ঠিত বিশ্ব জুনিয়ৰ উশু চেম্পিয়নশ্বিপত ভাৰতীয় দলটোৱে দুটা সোণৰ পদককে ধৰি মুঠ ৭টা পদক অৰ্জন কৰিছে। এই প্ৰতিযোগিতাত ভাৰতে দুটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতৰ আৰয়ানে ল'ৰাৰ গ্ৰুপ জুনিয়ৰৰ ৪৮ কিলোগ্ৰাম ওজন শাখাত চীনৰ গং হুৱানৰণক পৰাজিত কৰি সোণৰ পদক অৰ্জন কৰে। ল'ৰাৰ ৪৮ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ সূৰ্যই ইৰাণৰ প্ৰতিদ্বন্দ্বী অলিৰেজা জমানিক হৰুৱাই দ্বিতীয়টো সোণৰ পদক অৰ্জন কৰে। আনহাতে, নাং মিংবি বৰফুকনে ৰূপৰ পদক অৰ্জন কৰে। ইপিনে, ৫৬ কিলোগ্ৰাম ওজন শাখাত তানিছ নাগৰ, ৬০ কিলোগ্ৰাম

ওজন শাখাত দিব্যাংশী আৰু ৪২ কিলোগ্ৰাম ওজন শাখাত যুৱৰাজে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত ভাৰতৰ ২৪ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০

অসমৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগীকৰণৰ বাতাবৰণ সৃষ্টি কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী স্বনিৰ্ভৰ অভিযান আৰম্ভ কৰিছে। এই আঁচনিখনৰ অধীনত ৰাজ্যখনৰ ২৫ হাজাৰ যুৱ উদ্যমীক ৭৫ হাজাৰ টকাকৈ প্ৰদান কৰিব। এই বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে।

২ অক্টোবৰ অৰ্থাৎ গান্ধী জয়ন্তীৰ দিনা আৰম্ভ হ'ব মিছন বসুন্ধৰা ৩.০। পূৰ্বে আবেদন অগ্ৰাহ্য হোৱা ১০ লাখ লোকেও আবেদন কৰিব পাৰিব। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দুৰ্গা পূজাৰ সমিতিসমূহলৈ চৰকাৰৰ বিত্তীয় সাহায্য, সকলো পূজা সমিতিয়ে নিজ নিজ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰ সৈতে বিত্তীয় সাহায্যৰ বাবে মুখ্যমন্ত্ৰীয়ে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশৰ পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিক লৈ উদ্বিগ্ন ভাৰতে দেশখনৰ নাগৰিকক স্বাভাৱিক অৱস্থাত ভিছা অনুমোদন নজনোৱাৰ সিদ্ধান্তৰ বাতৰিটোক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিম্ন আয়ৰ লোক আৰু দুখীয়াক সকাহ দিয়া বুলি কেন্দ্ৰীয় চৰকাৰে দাবী কৰি আহিছে যদিও এম জি এনৰেগাৰ শ্ৰমিকক বছৰত ১০০ দিন কাম দিয়াত চৰকাৰ ব্যৰ্থ হোৱা বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

স্বচ্ছ নিযুক্তিৰ প্ৰক্ৰিয়াত ৰাজ্য চৰকাৰৰ সফলতাৰ আন এটা খোজ, কঠোৰ এছ অ' পিৰ মাজৰে সুকলমে সম্পন্ন দ্বিতীয়টো এ ডি আৰ ই- শিৰোনামেৰে এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

Of the total budgeted amount for the Ministry of Development of the North Eastern Region for the financial year 2023-24, Only 33% could be utilized- এই বাতৰিটো দা ছেণ্টিনেল বাতৰি কাকতখনে প্ৰকাশ কৰিছে।

Goverment Plans Free Foodgrains To Over 68% State's Population - এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ১০ বছৰ দুৱাৰডলিত মন কী বাত, দেশত জনমুৰি চিকিৎসা ব্যয় ৮২ শতাংশলৈ বৃদ্ধি, নেপালত ভয়াভৱ বানত মৃত লোকৰ সংখ্যা ১৪৮ লৈ বৃদ্ধি, চন্দ্ৰৰ বুকুত ৩৮৫ কোটি বছৰ পুৰণি গহ্বৰত অৱতৰণ চন্দ্ৰযান থ্ৰী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত